- বিভিন্ন চৰকাৰী সেৱা (Services), জনহিতকৰ চৰকাৰী আঁচনিৰ বিভিন্ন সুবিধা তথা ৰাজ সাহায্য দেশৰ বাসিন্দা সকলক প্ৰদানৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে ‘ভাৰতীয় বিশিষ্ট পৰিচয় প্ৰাধিকৰণ’ (UIDAI)ৰ সহযোগত ১২ টা সংখ্যাৰ এক পৰিচয়জ্ঞাপক পত্ৰ 'আধাৰ কাৰ্ড'ৰ সূচনা কৰিছে।
- অসম চৰকাৰে অহা ৬ অক্টোবৰ ২০১৮ তাৰিখৰ পৰা ৰাজ্যৰ ৩৩ খন জিলাৰ মুঠ ১২৪১ টা আধাৰ পঞ্জীয়ন কেন্দ্ৰত আধাৰ পঞ্জীয়নৰ কাম জিলাৰ উপায়ুক্তসকলৰ তত্বাৱধানত আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।
- আধাৰ কাৰ্ডৰ পঞ্জীয়নৰ বাবে আবেদনকাৰীসকলে UIDAI ৰ দ্বাৰা অনুমোদিত পৰিচয়ৰ প্ৰমাণ পত্ৰ, পৰিয়ালৰ মূৰব্বীৰ সৈতে সম্বন্ধৰ ক্ষেত্ৰত প্ৰযোজ্য নথি, জন্ম তাৰিখৰ প্ৰমাণ পত্ৰ, ঠিকনাৰ প্ৰমাণ পত্ৰ আদিৰ মূল প্ৰতিলিপি নিৰ্দিষ্ট আধাৰ কাৰ্ড পঞ্জীয়ন কেন্দ্ৰত জমা দি প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব।
- আধাৰ পঞ্জীয়নৰ বাবে আবেদনকাৰীৰ আঙুলিৰ ছাপ, চকুৰ মণিবলয় তথা মুখমণ্ডলৰ প্ৰতিচ্ছবি লোৱা হ’ব।
- আধাৰ পঞ্জীয়ন সম্পূৰ্ণ বিনামূলীয়া। আধাৰ পঞ্জীয়নৰ বাবে আবেদন প্ৰ-পত্ৰ প্ৰতিটো আধাৰ কেন্দ্ৰত বিনামূলীয়াকৈ উপলব্ধ হ’ব।
- শুদ্ধভাৱে জন্ম তাৰিখ, স্থায়ী ঠিকনা তথা পৰিচয়ৰ তথ্য সমন্বিতে আধাৰ পঞ্জীয়ন কৰা সকলে পঞ্জীয়ন কালৰ পৰা ৮০-৯০ দিনৰ ভিতৰত নিজৰ আধাৰ পত্ৰ পাবলৈ সক্ষম হ'ব। ম’বাইল থকা আবেদনকাৰীয়ে ম’বাইল নম্বৰত প্ৰেৰিত তথ্যৰ ভিত্তিতো ইণ্টাৰনেটৰ পৰা ই-আধাৰ ডাউনলোড (Download) কৰিব পাৰে। ডাকযোগে পোৱা আধাৰ পত্ৰ আৰু ই-আধাৰ সমানেই বৈধ।
- এই বিষয়ে অধিক জানিবৰ বাবে ট’ল ফ্ৰী নম্বৰ ১৯৪৭ অথবা চৰকাৰী ৱেবছাইট www.uidai.gov.in ত যোগাযোগ কৰক।

---

**আধাৰ পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় হোৱা UIDAI অনুমোদিত নথিৰ বিতং তথ্য জানিবৰ বাবে আপোনাৰ জিলাৰ উপায়ুক্ত আৰু আধাৰ পঞ্জীয়ন কেন্দ্ৰৰ লগত যোগাযোগ কৰক।**

---

সাধাৰণ প্ৰশাসন বিভাগ

অসম চৰকাৰ